**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 6-11-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***

**::::::::::::::::::::::::::::::::::::::::**

## <u>Headlines</u>

১।  মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ যোৰানিশা নুনমাটিৰ পৰা ৰিজাৰ্ভবেংক সংযোগী নিৰ্মীয়মান উৰণ সেতুখনৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন।

২।  ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অব্যাহত।

৩।  গড়ভঙা বনাঞ্চলক অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ অধিসূচনা বাতিল কৰাৰ সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰাজ্য চৰকাৰক জবাবদিহি।

৪।  ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে কাইলৈ দৰঙাত আব্ৰজন তালাচী চকী মুকলি।

*আৰু*

৫।  ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে অহা ২৪ আৰু ২৫ নৱেম্বৰত চৌডি আৰবত নীলাম প্ৰক্ৰিয়া।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৰানিশা নুনমাটিৰ পৰা ৰিজাৰ্ভবেংক সংযোগী নিৰ্মীয়মান উৰণ সেতুখনৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। লোকনিৰ্মাণ বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়াৰ সৈতে গুৱাহাটী ক্লাবত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে উৰণসেতুখন সমাপ্ত পৰিবলগীয়া অংশটোৰ  বুজ লয়। সাংবাদিকেৰে হোৱা কথা-বতৰাত তেওঁ কয় যে উৰণ সেতুখন পূৰ্বৰ তুলনাত এতিয়া কিছু সৰু কৰাৰ সিদ্ধান্ত লোৱা হৈছে। পূৰ্বতে লোৱা সিদ্ধান্ত অনুসৰি নুনমাটি দিশৰ পৰা আহিলে উৰণসেতুখন ৰিজাৰ্ভ বেংকত শেষ হ'লহেঁতেন, কিন্তু এতিয়া ৰবীন্দ্ৰ ভৱনৰ সন্মুখত উৰণসেতুখন শেষ কৰা হ'ব। আনহাতে, উৰণ সেতু নিৰ্মাণৰ বাবে গুৱাহাটী ক্লাবত থকা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিটো স্থানান্তৰ কৰা নহয় বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। ইফালে দীঘলী পুখুৰীৰ পাৰৰ পুৰণি গছসমূহ উৰণ সেতু নিৰ্মাণৰ বাবে কাটি পেলোৱাৰ যি বাতৰি ওলাইছিল সেয়াও তেওঁ অস্বীকাৰ কৰে। তেওঁ কয় যে লোকনিৰ্মাণ বিভাগে গছসমূহ কটাৰ পৰিৱৰ্তে অত্যাধুনিক প্ৰযুক্তিৰে পুৰণি উপাযুক্ত বাংলোৰ চৌহদলৈ স্থানান্তৰৰ পৰিকল্পনাহে কৰিছিল। এই সন্দৰ্ভত আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই কয় -

***(ভইচ কাষ্ট)***

০০০০০০০

রাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অব্যাহত আছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি চিদলী বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে বঙাইগাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাতো অংশগ্ৰহণ কৰিব। আজি চিদলী বিধানসভাৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কেইবাগৰাকীও জ্যেষ্ঠ বিজেপি নেতাৰ লগতে ইউ পি পি এল দলেও নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। সমষ্টিটোত বি পি এফ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীৰ হৈ কালি সভাপতি হাগ্ৰামা মহিলাৰীয়ে কেইবাটাও স্থান নিৰ্বাচনী প্ৰচাৰ চলায়। এই সন্দৰ্ভত আমাৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে এইদৰে কয়—

*(বাইট)*

০০০০০০০

গুৱাহাটী মহানগৰীৰ গাতে লাগি থকা গড়ভঙা বনাঞ্চলক অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ অধিসূচনা বাতিল কৰাৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক জবাবদিহি কৰিছে। এটা প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংগঠনে দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে তিনি সপ্তাহৰ ভিতৰত চৰকাৰক এই সন্দৰ্ভত সবিশেষ শপতনামা দাখিলৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ২০২২ চনৰ ২৮ মে'ত ৰাজ্য চৰকাৰে গড়ভঙাৰ ১১৭ বৰ্গ কিলোমিটাৰ এলেকা সামৰি বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে অধিসূচনা জাৰি কৰিছিল। ইয়াৰ পাছত ২০২৩ চনৰ ২৬ ছেপ্তেম্বৰত কেবিনেট বৈঠকত ৰাজ্য চৰকাৰে পূৰ্বৰ অধিসূচনা বাতিল কৰে। এই বিষয়টো শেহতীয়াকৈ পোহৰলৈ অহাত চিটিজেন ফ'ৰাম ফৰ গ্ৰীণ গুৱাহাটী নামৰ সংগঠনটোৱে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰে। আবেদনত তেওঁলোকে ৰাজ্য চৰকাৰৰ কেবিনেট সিদ্ধান্ত বাতিলৰ আহ্বান জনায়। গোচৰটোৰ শুনানি গ্ৰহণ কৰি কালি উচ্চ ন্যায়ালয়ে সমগ্ৰ বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে কালি গুৱাহাটীত অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। কইনাধৰাত অনুষ্ঠিত বৈঠকখনত শ্ৰী মোহনে মুখ্য সচিব ৰবি কোটা আৰু অন্য শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত আলফা, আদিবাসী, কাৰ্বি আৰু ডিমা নেচনেল লিবাৰেছন আৰ্মীৰ সৈতে জড়িত চুক্তিৰ পৰ্যালোচনা চলায়। গৃহ সচিবগৰাকীয়ে লগতে আত্মসমৰ্পণ কৰা বিভিন্ন গোটৰ উগ্ৰপন্থীসকলৰ পুনৰসংস্থাপনৰ সৈতে জড়িত বিভিন্ন বিষয়ৰো পৰ্যালোচনা কৰে। আলফাৰ শান্তি চুক্তিক লৈ সংগঠনটোৰ সভাপতি অৰবিন্দ ৰাজখোৱা আৰু সম্পাদক অনুপ চেতিয়াই গৃহ সচিবৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে সংবাদ মাধ্যমেৰে হোৱা কথা-বতৰাত অনুপ চেতিয়াই কয় যে শান্তি চুক্তিৰ বিষয়সমূহ কাৰ্যকৰী কৰাৰ সন্দৰ্ভতেই আলোচনা কৰা হৈছিল। দিনজোৰা এই বৈঠকৰ পাছত কেন্দ্ৰীয় গৃহ সচিব গৰাকীয়ে আত্মসমৰ্পণকাৰী উগ্ৰপন্থী সংগঠনৰ সদস্যসকলৰ পুনৰ সংস্থাপনৰ বিষয়টোও চৰকাৰৰ সৈতে আলোচনা কৰে। আজি অসম-মেঘালয় সীমা চুক্তিক লৈ গৃহসচিব গোবিন্দ মোহন আন এখন বৈঠকত মিলিত হ'ব।

০০০০০০০

প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে কাইলৈ দৰঙাত আব্ৰজন তালাচী চকী মুকলি কৰা হব। দুয়োখন ৰাষ্ট্ৰৰ মাজত আন্তঃসম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত এই ভূবন্দৰটোৱে দুয়োখন

ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাসো চেৰিং টবগে মুখ্য অতিতি হিচাপে উপস্থিত থকাৰ কথা। দৰঙাত আব্ৰজন তালাচী চকী মুকলিৰ বাবে দুয়োখন ৰাষ্ট্ৰই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

0000000

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ চাইবাৰ শাখাই চাইবাৰ প্ৰৱঞ্চনা ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে জনসাধাৰণক সজাগ কৰাৰ বাবে এখন বিজ্ঞপ্তি প্ৰকাশ কৰিছে। বিজ্ঞপ্তি অনুসৰি কোনো ধৰণৰ প্ৰলোভন বা কমিচনৰ আশাত নিজৰ বেংক একাউণ্ট অন্য কোনো ব্যক্তিক ব্যৱহাৰ কৰিবলৈ দিয়াৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। তেনে কৰিলে সেই লোকজনকো চাইবাৰ অপৰাধী হিচাপে গণ্য কৰা হব। যদি কোনো বেংকৰ কৰ্মীয়ে চাইবাৰ অপৰাধৰ সৈতে জড়িত সন্দেহজনক একাউণ্ট খোলাত সহায় কৰে তেন্তে তেনে বেংকৰ কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা লোৱা হব বুলি কোৱা হৈছে। অসম আৰক্ষীয়ে কষ্টৰে উপাৰ্জন কৰা ধন প্ৰৱঞ্চকৰ দ্বাৰা যাতে হেৰুওৱাবলগীয়া নহয় তাৰ বাবে সকলোকে সজাগ হৈ থকাৰ উপৰি অসম আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

0000000

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

0000000

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ লগতে সংগতি ৰাখি ৰাজ্যজুৰি কালি বিভিন্ন দল-সংগঠনৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। সমাধিস্থলত পুৱাৰে পৰা স্মৃতিচাৰণ সভা, সৰ্বধৰ্ম প্ৰাৰ্থনা, গীত-নৃত্যৰ অনুষ্ঠান আদি অনুষ্ঠিত হয়। ইপিনে দীঘলীপুখুৰীৰ পাৰত থকা শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিস্থলীতো সন্ধিয়া সদৌ অসম ছাত্ৰ সন্থাই ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰে।

যোৰহাট অভিযানন্ত্ৰিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত কালি মহাবিদ্যালয়ত ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী পালন কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষই শিল্পীজনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠানত শিল্পীগৰাকীৰ গীত পৰিৱেশন কৰে। শিৱসাগৰৰ দিখৌ পৰিয়া সন্মিলিত যুৱ মঞ্চৰ উদ্যোগত আৰু শিৱসাগৰ প্ৰেছ ক্লাবৰ সহযোগত কালি সন্ধিয়া ড০ ভূপেন হাজৰিকাৰ মৃত্যু তিথিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে অনুষ্ঠানত কেইবাগৰাকী ব্যক্তিয়ে শিল্পীগৰাকীৰ গীত পৰিৱেশন কৰে।

0000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ষট পূজা উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত এই শুভক্ষণত ছঠি মাইয়া আৰু সূৰ্যদেৱে নিজৰ আশীষেৰে সকলোৰে জীৱন ধন্য কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধিৰ কামনা কৰিছে।

সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিশা ৮ বজাৰ পৰা ১০ বজালৈহে ফটকা ফুটুৱাৰ অনুমতি প্ৰদান কৰা হৈছে। চুণচালি ঘাটতো বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব বুলি কোৱা হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থাকিব লাগিব। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ গুৱাহাটী আৰক্ষীয়ে জনসাধাৰণক আহ্বান জনাইছে।

০০০০০০০

অসম ৰাজ্যিক বিত্ত আয়োগৰ এটা দলে অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰানা প্ৰতাপ কলিতাৰ নেতৃত্বত কালি সন্ধিয়া বৰপেটাত উপস্থিত হৈ ৰাজ্য চৰকাৰৰ বিভাগবোৰৰ জিলা বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত জিলাখনৰ ৰাজ্য চৰকাৰৰ বিভাগবোৰৰ হোৱা সমস্যা আৰু বাজেটৰ বিষয়কলৈ এই আলোচনা অনুষ্ঠিত হয়। আলোচনাত অধ্যক্ষতা কৰা ৰানা প্ৰতাপ কলিতাই তৃণমূল পৰ্যায়ৰ শাসন ব্যৱস্থাক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি দক্ষতা বৃদ্ধিৰ বাবে সকলোকে আহ্বান জনায়। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত থকা সমস্যাবোৰ জিলাখনৰ ৰাজ্য চৰকাৰৰ বিভাগবোৰৰ মুৰব্বীসকলক শীঘ্ৰে দাখিল কৰিবলৈ আহ্বান জনায়। মুৰব্বীসকলে দাখিল কৰা সমস্যাৰ ভিত্তিতে সমাধানৰ পৰামৰ্শ আগবঢ়াব বুলিও কলিতাই প্ৰকাশ কৰে। আলোচনাত অসম চৰকাৰৰ বিশেষ সচিব, বিত্ত বিভাগৰ যুটীয়া সঞ্চালক আৰু সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগৰ পৰামৰ্শ দাতা উপস্থিতি থাকে।

০০০০০০০

সংসদৰ শীতকালীন অধিবেশন ২৫ নৱেম্বৰত আৰম্ভ হ'ব আৰু ২০ ডিচেম্বৰত অধিবেশনৰ সামৰণি পৰিব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সামাজিক মাধ্যমযোগে জনাইছে যে, সংবিধান গ্ৰহণৰ ৭৫ সংখ্যক জয়ন্তী ২৬ নৱেম্বৰত সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত উদ্‌যাপন কৰা হ'ব।

০০০০০০০

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ, আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে অহা ২৪ আৰু ২৫ নৱেম্বৰত চৌডি আৰবত নীলাম প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে কালি এই কথা সদৰি কৰে। এইবাৰ একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এলৰ নীলাম বিদেশত অনুষ্ঠিত হ'ব। ২০২৪ বছৰৰ আই পি এলৰ নীলাম ডুবাইত অনুষ্ঠিত হৈছিল।

এইবাৰ এহেজাৰ ১৬৫ গৰাকী ভাৰতীয় আৰু ৪০৯ গৰাকী বিদেশী খেলুৱৈ সহ মুঠ এহেজাৰ ৫৭৪ গৰাকী খেলুৱৈয়ে নীলামৰ বাবে সন্মতি প্ৰকাশ কৰিছে। প্ৰতিটো দলত ৰিটেন কৰা খেলুৱৈ সহ সৰ্বাধিক ২৫ গৰাকী খেলুৱৈক চুক্তিবদ্ধ কৰিব পৰা যাব। নীলামৰ বাবে মুঠ ২০৪টা শ্লট উপলব্ধ হ'ব।

০০০০০০০

<u>Newspaper Review (06-11-2024, Morn.)</u>

দীঘলীপুখুৰীৰ পাৰৰ শতিকা পুৰণি ২১ জোপা গছ কাটি উৰণ সেতু নিৰ্মাণ কৰিবলৈ লোৱা সিদ্ধান্তৰ বিৰুদ্ধে জনসাধাৰণৰ তীব্ৰ প্ৰতিবাদৰ পাছতে চৰকাৰে উৰণ সেতুৰ আৰ্হি সলনি কৰিবলৈ সিদ্ধান্ত লোৱা বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে গড়ভঙা অভয়াৰণ্যৰ স্বীকৃতি বাতিলৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা মতে কেবিনেট সিদ্ধান্তৰে চৰকাৰে এই স্বীকৃতি বাতিল কৰিছিল আৰু এই বিষয়ে উচ্চ ন্যায়ালয়ে শপতনামা দাখিলৰ নিৰ্দেশ দিছে। ৰাজ্যৰ ভিতৰুৱা অঞ্চলত বিশেষজ্ঞ চিকিৎসকৰ অভাৱৰ বাবে জনসাধাৰণৰ অসন্তুষ্টিত উদ্বিগ্ন হৈ নতুন কৌশল হাতত লোৱা এটা বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা মতে চৰকাৰে ডাক্তৰসকলক ৮০ হাজাৰ টকা পৰ্যন্ত উদ্দগনিমূলক ভাট্টা প্ৰদান কৰিব আৰু তেওঁলোকে ২০ হাজাৰ টকা পৰ্যন্ত পৰিবহণ ব্যয় লাভ কৰিব। **অসমীয়া খবৰ** কাকতে কালি উচ্চতম ন্যায়ালয়ে ব্যক্তিগত সম্পত্তি চৰকাৰে ইচ্ছা কৰিলে অধিগ্ৰহণ কৰিব নোৱাৰিব বুলি দিয়া ঐতিহাসিক ৰায়ৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক অগ্ৰদূত** কাকতে 'সামুহিক কল্যাণৰ নামত যধে-মধে ব্যক্তিগত সম্পত্তি অধিগ্ৰহণ কৰিব নোৱাৰিব চৰকাৰে' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। কালি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু দিৱস সমগ্ৰ ৰাজ্যতে পালন কৰাৰ বাতৰি **আমাৰ অসম** কাকতে বিস্তৃতভাৱে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতে 'Assam Remembers Sudhakantha' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰৰ ৫ জন এ চি এছ বিষয়াক নিলম্বন কৰাৰ বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ৰাজ্যত উপ-নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ প্ৰচাৰ তুংগত, ভূপেন হাজৰিকাৰ দুশ গীত বড়ো ভাষালৈ অনুবাদ হ'ব বুলি প্ৰমোদ বড়োৰ মন্তব্য, ২০৩৬ চনৰ অলিম্পিক অনুষ্ঠিত কৰাৰ বাবে আবেদন ভাৰতৰ।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**